**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**প্ৰেছ বাৰ্তা নং ঃ ১০১/২০২২**

## ‘আজাদী কা অমৃত মহোৎসৱ’ৰ সৈতে সংগতি ৰাখি স্পেচিয়েল অলিম্পিক ভাৰতে গুৱাহাটীত আয়োজন কৰা বিশেষভাৱে সক্ষম এথলিটসকলৰ স্বাস্থ্য পৰীক্ষা শিৱিৰত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ‘স্নেহস্পৰ্শ’ আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ দিব্যাংগ শিশুসকলৰ অভিভাৱকসকলক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৭ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ‘আজাদী কা অমৃত মহোৎসৱ’ৰ সৈতে সংগতি ৰাখি স্পেচিয়েল অলিম্পিক ভাৰতে গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আয়োজন কৰা বিশেষভাৱে সক্ষম এথলিটসকলৰ স্বাস্থ্য পৰীক্ষা শিৱিৰত অংশগ্ৰহণ কৰে। উল্লেখ্য যে স্পেচিয়েল অলিম্পিক ভাৰতৰ দ্বাৰা সমগ্ৰ দেশত ‘আজাদী কা অমৃত মহোৎসৱ’ৰ লগত সংগতি ৰাখি আজি গ্ৰহণ কৰা কাৰ্যসূচীৰ জৰিয়তে দেশৰ ৭৫ খন চহৰত ৭৫০০০ গৰাকী বৌদ্ধিক দিশত বিশেষভাৱে সক্ষম ক্ৰীড়াবিদৰ দন্ত পৰীক্ষা আৰু স্বাস্থ্য সম্বন্ধীয় দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে স্বাস্থ্য পৰীক্ষা তথা ক’ভিড টীকাকৰণৰ ব্যৱস্থা কৰা হৈছে। সমগ্ৰ দেশৰ লগতে অসমতো স্পেচিয়েল অলিম্পিক ভাৰতে গুৱাহাটী আৰু যোৰহাটত এই অনুষ্ঠানৰ আয়োজন কৰিছে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশেষভাৱে সক্ষম শিশুসকলৰ মাজত অপাৰ সম্ভাৱনীয়তা লুকাই থাকে। এই শিশুসকলেও যাতে ৰাজ্যৰ মানৱ সম্পদৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে সমাজলৈ অৰিহণা আগবঢ়াব পাৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে তেওঁলোকৰ সৱলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে ‘দীনদয়াল দিব্যাংগ পেঞ্চন আঁচনি’ৰ অধীনত ১ লাখতকৈও অধিক দিব্যাংগ ব্যক্তিলৈ প্ৰতিমাহে ১ হাজাৰ টকাকৈ প্ৰদান কৰি আহিছে। তেনেদৰে, ‘দীনদয়াল দিব্যাংগ পুনঃসংস্থাপন আঁচনি’ৰ জৰিয়তে বহুতো দিব্যাংগ ব্যক্তি উপকৃত হৈছে। তদুপৰি, ১ লাখ ১২ হাজাৰখন বিশেষ পৰিচয় পত্ৰ বিশেষভাৱে সক্ষম ব্যক্তিসকলক প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শ্ৰৱণৰ অসুবিধাত ভোগা ৬ বছৰৰ তলৰ বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ‘স্নেহস্পৰ্শ’ শীৰ্ষক বিশেষ আঁচনিখনৰ সুবিধা গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ তেনে শিশুসকলৰ অভিভাৱকসকলক আহ্বান জনায়। তেওঁ কয় যে এই আঁচনিখনৰ অধীনত বিনামূলীয়াকৈ শ্ৰৱণ যন্ত্ৰ সংস্থাপন কৰাৰ ব্যৱস্থা আছে আৰু এনে যন্ত্ৰ সংস্থাপনৰ দ্বাৰা শ্ৰৱণৰ অসুবিধাত ভোগা শিশুসকলে স্বাভাৱিক জীৱন নিৰ্বাহ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ শাসনভাৰ হাতত লৈ বিশেষভাৱে সক্ষম লোকসকলক দিব্যাংগ হিচাপে অভিহিত কৰি তেওঁলোকক এক নতুন পৰিচয় দিছিল। দিব্যাংগ লোকসকল আমাৰ সমাজৰ অভিন্ন অংগ আৰু কোনো ক্ষেত্ৰতে তেওঁলোক সমাজৰ আন ব্যক্তিতকৈ দুৰ্বল নহয়। ৰাজ্যৰ সৰ্বাংগীন বিকাশৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা

লক্ষ্য আৰু উদ্দেশ্য পূৰণত দিব্যাংগসকলো এক অপৰিহাৰ্য অংগ বুলিও তেওঁ কয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু সমাজ কল্যাণ বিভাগৰ সহযোগিতাত স্পেচিয়েল অলিম্পিক ভাৰতে দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে আয়োজন কৰা বিশেষভাৱে সক্ষম এথলিটসকলৰ স্বাস্থ্য পৰীক্ষাৰ এই শিৱিৰত অপাৰ সম্ভাৱনীয়তাৰে পূৰ্ণ এই লোকসকলৰ সৈতে কিছু সময় কটোৱাৰ সুযোগ পাই তেওঁ অতিশয় আনন্দিত হৈছে। তেওঁ লগতে কয় যে দিব্যাংগ শিল্পী সুধা চন্দ্ৰন, সংগীতজ্ঞ ৰবীন্দ্ৰ জৈন, পৰ্বতাৰোহী অৰুনিমা সিনহা, অলিম্পিক মেডেল প্ৰাপক ক্ৰীড়াবিদ সুমিত এনটিল, অবানি লেখাৰা, ভবিনাবেন পেটেল, মনীষ নাৰৱাল, বিশিষ্ট সমাজকৰ্মী জাভেদ আবিদি আদিৰ দৰে অদম্য ইচ্ছা শক্তিৰ অধিকাৰী দিব্যাংগ ব্যক্তিসকলে আমাৰ সমাজ জীৱনক সদায় অনুপ্ৰাণিত কৰি আহিছে।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° শৰ্মাই পেৰা অলিম্পিককে ধৰি আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিশেষ ফল প্ৰদৰ্শন কৰা বিশেষভাৱে সক্ষম এথলিটসকলক একোটাকৈ স্মাৰক প্ৰদান কৰে।

অনুষ্ঠানত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে ভাষণ প্ৰদান কৰি বিভাগীয় বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙকে ধৰি বহুগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / নিঃকুঃদাঃ**
**৭-০৪-২০২২**